অসমীয়া প্ৰতিদিন

# দিছপুৰ কলেজত গুৱাহাটী বিশ্ববিঃ মাণ্ডলিক যুৱ মহোৎসৱৰ আয়োজন

গুৱাহাটী, ৩০ ছেপ্টেম্বৰ ঃ দিছপুৰ মহাবিদ্যালয়ে অহা ২৬, ২৭ আৰু ২৮ অক্টোবৰত গুৱাহাটী বিশ্ববিদ্যালয় মাণ্ডলিক আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ, ২০২৫-২৬ৰ আয়োজন কৰিছে। কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত আৰু গুৱাহাটী বিশ্ববিদ্যালয় অনুমোদিত/স্বীকৃত ৬০ৰো অধিক মহাবিদ্যালয়ৰ প্ৰায় ২,৫০০ ছাত্ৰ-ছাত্ৰীয়ে উক্ত যুৱ মহোৎসৱত অংশগ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া পৰিষদে দিয়া তথ্য অনুযায়ী সংগীত. নৃত্য, নাটক, সাহিত্য, তৰ্ক আৰু বক্তৃতা, সুকুমাৰ কলা ইত্যাদি প্ৰায় ৩৭ টা বিভাগত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই যুৱ মহোৎসৱখন পৰিচালনা কৰিবলৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাক সভাপতি আৰু অসমীয়া বিভাগৰ মুৰব্বী অজিত প্ৰসাদ শৰ্মাক তত্ত্বাৱধায়ক হিচাপে লৈ এখন আয়োজক সমিতি গঠন কৰা হৈছে। সমিতিয়ে ইতিমধ্যে মহাবিদ্যালয়সমূহলৈ মাণ্ডলিক আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত অংশগ্ৰহণ কৰাৰ বাবে নিমন্ত্ৰণী পত্ৰ প্ৰেৰণ কৰিছে। যোগাযোগৰ নম্বৰ- সমিতিৰ তত্ত্বাৱধায়ক অজিত প্ৰসাদ শৰ্মা (৯৩৯৫৬-৩৭৮৮৩) আৰু সহঃতত্ত্বাৱধায়ক ড° মাথুৰ বৰ্মন (৯৪৩৫৫-৪৭৩৮৬)।